**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 20-12-2024
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

ৰাজ্য চৰকাৰৰ বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অংশ হিচাপে আজিও কেইবাখনো জিলাত বিভিন্ন চৰকাৰী আঁচনিৰ বঁটা প্ৰদানৰ লগতে আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। নগাঁও জিলাত এই উপলক্ষে আয়োজিত কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত জিলাখনৰ ৩ হাজাৰ ৪৫০গৰাকী ছাত্ৰ-ছাত্ৰীক প্ৰজ্ঞান ভাৰতী আঁচনিৰ ড° বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত স্কুটী প্ৰদান কৰা হ'ব। তদুপৰি মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত নৱম শ্ৰেণীত অধ্যয়নৰত ১৬ হাজাৰ ৫৬০ গৰাকী শিক্ষাৰ্থীক চাইকেল প্ৰদান কৰাৰ লগতে এহেজাৰ ৮৫৬ গৰাকী ছাত্ৰ-ছাত্ৰীলৈ আনন্দ ৰাম বৰুৱা বঁটা নগদ ধনৰ পুৰস্কাৰ প্ৰত্যক্ষভাৱে হস্তান্তৰ কৰা হ'ব। অনুষ্ঠানত মন্ত্ৰী বিমল বৰা আৰু কেশৱ মহন্তই অংশগ্ৰহণ কৰিব।

নলবাৰী জিলাত বিকাশৰ ১২ দিন কাৰ্যসূচীত পৰিৱেশ আৰু বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, শোণিতপুৰ জিলাত মন্ত্ৰী পীযুষ হাজৰিকা, বিশ্বনাথ জিলাত অশোক সিংহাল আৰু হোজাইত মন্ত্ৰী নন্দিতা গাৰ্লোচা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

oooooo

এখন ৰাষ্ট্ৰ, এটা নিৰ্বাচন বিষয়ক বিধেয়ক দুখন আজি যুটীয়া সংসদীয় সমিতিলৈ প্ৰেৰণ কৰা হয়। লোকসভাৰ ২৭ গৰাকী সদস্য আৰু ৰাজ্যসভাৰ ১২ গৰাকী সদস্যৰে এই সমিতিখনত গঠন কৰা হৈছে। আজি পুৱা সদন মিলিত হোৱাৰ সময়ত কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে সংবিধানৰ ১২৯ সংখ্যক সংশোধনী বিধেয়ক ২০২৪ আৰু কেন্দ্ৰীয় শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক ২০২৪ যুটীয়া সংসদীয় সমিতিলৈ প্ৰেৰণৰ বাবে প্ৰস্তাৱ উত্থাপন কৰে। এই সমিতিখনে সংসদৰ পৰৱৰ্তী অধিৱেশনৰ শেষৰ সপ্তাহৰ প্ৰথম দিনা সদনত এই বিধেয়ক দুখনৰ সন্দৰ্ভত তথ্য দাখিল কৰিব। এই সংসদীয় পেনেলত বিজেপিৰ নেতা পি পি চৌধৰী, অনুৰাগ সিং ঠাকুৰ, পুৰুষোত্তমভাই ৰুপালা, কংগ্ৰেছৰ প্ৰিয়ংকা গান্ধী আৰু মনিষ তিৱাৰী, টি এম চিৰ কল্যাণ বেণাৰ্জী, এন চি পিৰ সুপ্ৰিয়া সুলেকে ধৰি আন কেইবাগৰাকী লোকসভাৰ সদস্য আছে।

oooooo

গুৱাহাটী মহানগৰীৰ পল্টন বজাৰ আৰু পানবজাৰক সংযোগ কৰি উত্তৰ-পূব সীমান্ত ৰে'লৱেই ১৯৬৫ চনত নিৰ্মাণ কৰা পানবজাৰ ৰিল অভাৰব্ৰীজখনৰ স্থানত এখন নতুন ৰেল অভাৰব্ৰীজ নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছে। এই নতুন অভাৰব্ৰীজখন পূৰ্বৰখনতকৈ অধিক উচ্চতাত নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰা হৈছে আৰু ইয়াৰ ফলত সমীপতে থকা গুৱাহাটী ৰে'ল ষ্টেশ্যনৰ ৰে'ল লাইন আৰু প্লেটফৰ্মৰ দৈৰ্ঘ্য বৃদ্ধি কৰিব পৰা হ'ব। তদুপৰি, বৈদ্যুতিক ৰে'লগাড়ীৰে সৰবৰাহ কৰা বৃহৎ মালবাহী দবাও এই নতুন অভাৰব্ৰীজৰ তলেৰে সুকলমে  পাৰ হৈ যাব পাৰিব। এই নতুন অভাৰব্ৰীজখনত পূৰ্বৰ দুশাৰীয়াৰ পৰিৱৰ্তে তিনিশাৰীয়াকৈ

নিৰ্মাণ কৰা হ'ব। উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ মহাপ্ৰবন্ধক চেতন কুমাৰ শ্ৰীবাস্তৱৰ নেতৃত্বত উচ্চ পৰ্যায়ৰ দলে ইতিমধ্যে এই নিৰ্মাণ কাৰ্য পৰিদৰ্শন কৰিছে আৰু অভাৰব্ৰীজখনৰ নিৰ্মাণৰ কাম নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ নিৰ্মাণৰ সৈতে জড়িত বিষয়াবৰ্গক নিৰ্দেশ দিছে বুলি ৰে'লৰেৰ এখন প্ৰেছ বিজ্ঞপ্তিত কোৱা হৈছে।

০০০০০০

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কালি লোকসেৱা ভৱনৰ সংবাদ সন্মিলন কক্ষত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ **মুখ্যমন্ত্ৰীৰ ডায়েৰী-৩** আৰু **মুখ্যমন্ত্ৰীৰ বক্তৃতা সংকলন-৩** শীৰ্ষক দুখন গ্ৰন্থ আনুষ্ঠানিকভাৱে উন্মোচন কৰে। গ্ৰন্থ অধ্যয়নে এগৰাকী ব্যক্তিৰ ব্যক্তিত্বৰ পৰিৱৰ্তন ঘটায় বুলি উল্লেখ কৰি ৰাজ্যপালগৰাকীয়ে কয়, যে গ্ৰন্থ ৰচনাৰ জৰিয়তে মুখ্যমন্ত্ৰী ড০ শৰ্মা এগৰাকী দক্ষ ৰাজনীতিবিদৰ লগতে সৃজনীশীল সাহিত্যিক হিচাপেও উদ্ভাসিত হৈছে। মুখ্যমন্ত্ৰী হিচাপে তেওঁৰ কাৰ্যকালত ৰাজ্যৰ বিকাশৰ লগতে ভাষা সাহিত্যকে ধৰি বিভিন্ন দিশত বহুখিনি কাম সম্পাদন হৈছে বুলি শ্ৰী আচাৰ্যই মত প্ৰকাশ কৰে।

০০০০০০

মুম্বাইত অনুষ্ঠিত গোল্ডেন জুৰি চলচ্চিত্ৰ মহোৎসত ৰাজেন দাস পৰিচালিত অসমীয়া চলচ্চিত্ৰ **আইৰণ গাৰ্লছে** শ্ৰেষ্ঠ চলচ্চিত্ৰৰ পুৰস্কাৰ লাভ কৰিছে। বলীউডৰ বহুসংখ্যক চলচ্চিত নিৰ্মাতা, শিল্পীৰ উপস্থিতিত কালি মহোৎসৱৰ সামৰণি অনুস্থানত পৰিচালক ৰাজেন দাসে এই বঁটা গ্ৰহণ কৰে। ৰাজেন দাসে এই বঁটা অসমৰ সমূহ ওজাপালি-দেওধানী লোকনৃত্য তথা পদ্মশ্ৰী সন্মানেৰে সন্মানিত দ্ৰোণ ভূঞাক উৎসৰ্গা কৰে বুলি জানিবলৈ দিয়ে। দ্ৰোণ ভূঞা, আশা বৰদলৈ, তৰুণ আজাদ ডেকাৰ লগতে ওজাপালি আৰু দেওধানীৰ লগত জড়িত বহু সংখ্যক লোকশিল্পীয়ে ছবিখনত অভিনয় কৰিছে। মুম্বাইত শ্ৰেষ্ঠ চলচ্চিত্ৰ বঁটা লাভ কৰাৰ খবৰ পোৱাৰ পিছতেই পৰিচালক ৰাজেন ডেকাৰ ওপজা গাঁও ভালুকী আৰু পাটাচাৰকুছি-বজালীত আনন্দৰ পৰিৱেশে বিৰাজ কৰিছে।

০০০০০০

ৰাজ্যৰ চাহ জনগোষ্ঠীয় লোকসকলৰ বৰ্ণাঢ্য সংস্কৃতিৰ অন্যতম ঝুমুৰ নৃত্যক বিশ্ববাসীৰ সৈতে পৰিচয় কৰাই দিয়াৰ লক্ষ্যৰে ৰাজ্য চৰকাৰৰ উদ্যোগত অহা বছৰৰ ২৪ ফেব্ৰুৱাৰীত সৰুসজাই ক্ৰীড়া প্ৰকল্পত **ঝুমুইৰ বিনন্দিনী** শীৰ্ষক এটা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানৰ প্ৰস্তুতি সন্দৰ্ভত কালি সাংস্কৃতিক মন্ত্ৰী বিমল বৰাৰ সভাপতিত্বত আয়োজিত এখন সভাত চাহ জনগোষ্ঠীয় সংস্কৃতিৰ সৈতে জড়িত কেইবাগৰাকী লোকশিল্পী, বিশেষজ্ঞ, ওজা প্ৰশিক্ষকৰ লগতে কেইবাটাও চৰকাৰী বিভাগৰ বিষয়াসকলৰ সৈতে আলোচনা কৰা হয়। বিশ্ব অভিলেখ গঢ়াৰ লক্ষ্যৰে আয়োজন কৰা এই অনুষ্ঠানত ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ ৭ হাজাৰ ৫০০ গৰাকী পুৰুষ আৰু মহিলা নৃত্য শিল্পীয়ে অংশগ্ৰহণ কৰিব।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰত অংশকালীন সংবাদদাতা হিচাপে ডিব্ৰুগড়, ধেমাজি, বিশ্বনাথ, হোজাই, কামৰূপ, বজালী, পশ্চিম কাৰ্বি আংলং আৰু কাছাৰ জিলাৰ আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। সবিশেষ জানিবলৈ আৰু আবেদন পত্ৰ ডাউনলোড কৰিবলৈ প্ৰাৰ্থীয়ে www.newsonair.gov.in ত লগ ইন কৰিব পাৰে। অহা ১০ জানুৱাৰী ২০২৫ৰ ভিতৰত সম্পূৰ্ণ আবেদন পত্ৰ The Head of

Office, Akashvani, Guwahati, Guwahati-781003 লৈ পঠাব লাগিব। প্ৰাৰ্থীয়ে নিজ হাতেও আবেদন পত্ৰ জমা দিব পাৰে।

oooooo

সমাপ্ত